# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA Assamese 3rd Sem. Examination, 2014

কাকত ঃ একাদশ

পালি প্ৰাকৃত-অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ

(Linguistics Group)

সময় ঃ তিনি ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'প্ৰাকৃত' ভাষাৰ নামকৰণ সম্পৰ্কত এটি আভাস দাঙি ধৰক।

(খ) অশোকৰ অনুশাসনমালাৰ বিষয়বস্তু উল্লেখ কৰক।

(গ) 'ধম্মপদ' শব্দৰ অৰ্থ ব্যাখ্যা কৰক।

(ঘ) ৰজা হাল সংকলিত প্ৰাকৃত কাব্যখনিৰপৰা আৰু বিষয়বস্তু সম্পৰ্কে এটি টোকা লিখক।

(ঙ) সংস্কৃত নাটকত প্ৰাকৃত ভাষাৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখক।

(চ) বিদ্যাপতিৰ 'কীৰ্তিলতা' কাব্যৰ বিষয়বস্তুৰ আভাস দিয়ক।

(ছ) অপভ্ৰংশ সাহিত্যৰ কবি অদ্দহমানৰ পৰিচয় দাঙি ধৰক।

২. তলত দিয়া যিকোনো তিনিছোৱা সৰল অসমীয়ালৈ অনুবাদ কৰক আৰু লগতে তলত আঁচ টনা যিকোনো তিনিটা শব্দৰ সংস্কৃতৰূপ নিৰ্ণয় কৰি অসমীয়া অৰ্থ লিখক। ৪×৩ = ১২

(ক) বহুকং হি দোষং সমাজম্হি পসতি দেৱান প্ৰিয়ো প্ৰিয়দমি ৰাজা। অস্তি পি তু একসা সমাজো সাধুমতা দেৱানং প্ৰিয়ম প্ৰিয়দসিনো ৰাঞো।

(খ) ফন্দনং চপলং চিত্তং দূৰক্খং দুন্নিৱাৰয়ং
উজুং কৰোতি মেধাৱী উসুকাৰো'ৱ তেজনং।

(গ) আৰম্ভন্তয্য ধুঅং লচ্ছী মৰণং ৱি হোই পুৰিযয্য।
তং মৰণং অনাৰম্ভে ৱি হোই লচ্ছী উণ ণ হোই।।

(ঘ) (ৱিলোক্য) এশে অধ্ধনিং ঈশলে পত্তে গেন্হিঅ লাঅশাশনং।
(ধীৱৰং প্ৰতি)তা শউলাণং মুহং পেক্কশি অধ ৱা
গিদ্ধশিআলানং বলী ভৱিশ্শশি।



(ঙ) যুঅন পসংসই কৰু মঝু দুজ্জন বোলই মন্দ।
অৱসত্ত ৱিসহৰ ৱিস ৱমই অমিঞ ৱিমুক্কই চন্দ।

৩. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) সংস্কৃতৰ সৈতে তুলনা কৰি পালি-প্ৰাকৃত-অপভ্ৰংশত স্বৰৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

(খ) সংস্কৃত সংযুক্ত ব্যঞ্জনসমূহ পালি-প্ৰাকৃত-অপভ্ৰংশত কেনেদৰে পৰিৱৰ্ত্তিত হৈছে তাৰ এটি আলোচনা দাঙি ধৰক।

(গ) সংস্কৃতৰ শব্দৰূপক কেইটা আৰু কি কি শ্ৰেণীত ভাগ কৰা হৈছে, চমুকৈ আলোচনা কৰক।

(ঘ) সংস্কৃত আৰু পালি-প্ৰাকৃত ভাষাৰ ধাতুৰ গণ বিভাজনৰ আভাস দাঙি ধৰি পালি-প্ৰাকৃতত কেনে ধৰণৰ পৰিবৰ্তন ঘটিছে,তাৰ এটি তুলনা দাঙি ধৰক।

(ঙ) সংস্কৃতৰ নামধাতু আৰু তুমুনন্ত ক্ৰিয়া পদসমূহৰ পালি-প্ৰাকৃত ভাষাত কিদৰে পৰিবৰ্তন হৈছে, উদাহৰণসহ চমুকৈ ব্যাখ্যা কৰক।

৪. তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মধ্যভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(খ) পালি ভাষাৰ উৎপত্তিৰ বিষয়ে আভাস দি সংস্কৃতৰ সৈতে তুলনাসহ ইয়াৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য বিশ্লেষণ কৰক।

(গ) বিভিন্ন সাহিত্যিক প্ৰাকৃতসমূহৰ উদ্ভৱ আৰু বিকাশৰ ধাৰা দেখুৱাই প্ৰত্যেক বিধৰ ভাষাগত প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা দাঙি ধৰক।

(ঘ) 'অভিজ্ঞান শকুন্তলম্' নাটকৰপৰা আপোনাৰ পাঠ্য হিচাপে গৃহীত দৃশ্যটোত কিদৰে বিভিন্ন প্ৰাকৃতৰ ব্যৱহাৰ কৰা হৈছে, সেই সম্পৰ্কে এটি টোকা যুগুত কৰক।

(ঙ) 'সন্দেশৰাসক' কাব্যৰ বিষয়বস্তুৰ আভাস দি দূতকাব্য হিচাপে ইয়াৰ বৈশিষ্ট্য প্ৰদৰ্শন কৰক।

(চ) সংস্কৃত চম্পুকাব্যৰ আৰ্হি 'কীৰ্তিলতা'ত কেনেদৰে পৰিদৃষ্ট হৈছে বিচাৰ কৰি কাব্যখনৰ ভাষাগত বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰক।